[24-HKPD1SN-24J (M2)]

MA 1st Semester (NEP) Exam. 2024 (S2)

ASSAMESE

(অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ আদিৰ পৰা মধ্য যুগলৈ)

[PG, AS S1-01]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) ডাকৰ বচন মানে কি ? ডাকৰ বচনৰ যোগেদি অসমৰ সামাজিক, ধৰ্মীয়, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক জীৱনৰ গুৰুত্বপূৰ্ণ দিশসমূহ কিদৰে প্ৰকাশ লাভ কৰিছে আলোচনা কৰক ।

(*b*) মাধৱ কন্দলিৰ ৰামায়ণত অসমীয়া সমাজ জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখক ।

(*c*) 'শঙ্কৰী যুগৰ সাহিত্য মূলতঃ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হৈছিল'– কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰি এটি আলোচনা যুগুত কৰক ।

(*d*) ভট্টদেৱৰ ৰচনাৰাজিৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

(*e*) ড. বাণীকান্ত কাকতিয়ে দুৰ্গাবৰৰ গীতি ৰামায়ণক বাল্মিকী ৰামায়ণৰ 'গাঁৱলীয়া তাণ্ডৰণ' বুলি অভিহিত কৰাৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰক ।

(*f*) অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(*g*) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজে ? অসমীয়া ব্যৱহাৰিক সাহিত্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক ।

(*h*) শংকৰোত্তৰ যুগৰ নাট্য সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) চৰ্যাপদৰ ভাষা সম্পৰ্কে চমুকৈ লিখক ।

(*b*) প্ৰাক্ শংকৰীযুগৰ কবি হৰিবৰ বিপ্ৰৰ কাব্যকৃতিৰ আভাস দিয়ক ।

(*c*) বধকাব্য বুলিলে কি বুজায় ? 'বধকাব্যবোৰ অসমীয়া সাহিত্যৰ অনুপম সম্পদ স্বৰূপ ।'– আলোচনা কৰক ।

(*d*) সৰ্বভাৰতত ভক্তিধৰ্ম বিকাশ হোৱাৰ পাঁচটা কাৰণ বিশ্লেষণ কৰি দেখুৱাওক ।

(*e*) প্ৰাচীন কামৰূপত মন্ত্ৰ সাহিত্য প্ৰচলনৰ চমু আভাস দাঙি ধৰক ।

(*f*) অসমীয়া পাঁচালী সাহিত্যৰ বিষয়ে এটি চমু টোকা লিখক ।